# An appeal to the Students of Jagiroad College

## Internshala organizes ...India's Biggest Recruitment Fair 2022

**Apply now - https://internshala.com/i/IBRF22-apply-now**

**Eligibility - Final year students (any branch/stream) and recent graduates**

**Last date to apply - 16th November 2022**

মৰমৰ ছাত্ৰ-ছাত্ৰী সকল,

তোমালোকক জনাবলৈ পাই গৌৰৱ অনুভৱ কৰিছোঁ যে ইউ জি চি ৰ দিল্লীস্থিত কাৰ্যালয়ত আমাৰ মহাবিদ্যালয়ৰ তৰপৰা দাখিল কৰা এক আবেদনত এই কথা উল্লেখ কৰিছিলোঁ যে Polytechnic বা Engineering College ৰ টেকনিকেল শিক্ষাৰ্থী সকলে ষ্টাইপেণ্ড সহ ইণ্টাৰ্ণশ্বিপ কৰাৰ বাবে যি সুবিধা লাভ কৰে তেনেধৰণৰ সুবিধা আমাৰদৰে non-Technical বা General College ৰ ছাত্ৰ-ছাত্ৰীয়ে পোৱা উচিত যাতে আমাৰ শিক্ষাৰ্থী সকলে Industry সমূহত নিযুক্তি লাভ কৰিবলৈ সুযোগ পাব পাৰে। এই ক্ষেত্ৰত ইউ জি চি ৰ দিল্লীস্থ কাৰ্যালয়ৰ উপৰিও কলিকতাত থকা Internship ৰ কাম কাজৰ তদাৰক কৰা কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয় BOPTR ৰ লগত নিৰন্তৰ যোগাযোগ ৰক্ষা কৰি আছিলোঁ।

তোমালোক জনাবলৈ পাই ভাল পাইছোঁ যে আমাৰ সেই প্ৰচেষ্টা সফল হৈছে আৰু কেন্দ্ৰীয় চৰকাৰে আমাৰ দৰে সাধাৰণ শিক্ষাৰ কলেজৰ শিক্ষাৰ্থী সকললৈও বিভিন্ন Industry সমূহত ষ্টাইপেণ্ড সহ ইণ্টাৰ্ণশ্বিপ কৰাৰ সুবিধা 2019 চনৰ পৰা প্ৰদান কৰিছে। লকডাউনৰ বাবে ইয়াৰ ব্যাপক প্ৰচাৰ কৰা নহৈছিল।

ইতিমধ্যে আমাৰ কলেজৰ তৰফৰ পৰা আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ নাম ঠিকনা আৰু ই-মেইল সমূহ BOPTR লৈ প্ৰেৰণ কৰা হৈছে। এই ক্ষেত্ৰত তোমালোকে হয়টো Internship সম্বন্ধীয় ই-মেইল পাইছা।

সেয়েহে যি সকল ছাত্ৰ-ছাত্ৰীয়ে 5th Sem ত বৰ্তমানে পঢ়ি আছে আৰু যি সকলে ইতিমধ্যে স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰী সমাপ্ত কৰিছে তেওঁলোকে এই ইন্টাৰ্ণশ্বিপ সুবিধা লোৱা উচিত। ওপৰত উল্লেখিত link ৰ জড়িয়তে নিজৰ নাম পঞ্জীয়ণ কৰাৰ সুবিধা লাভ কৰিব পাৰিবা।

এই বৰ্ষৰ last date অহা 16 নৱেম্বৰ ধাৰ্য কৰিছে। সকলো আগ্ৰহী শিক্ষাৰ্থীকে ই-মেইল চাই নিজৰ মতে ব্যৱস্থা লবলৈ ইয়াৰ জড়িয়তে আহ্বান জনালোঁ।

অধ্যক্ষ
জাগীৰোড মহাবিদ্যালয়
তাং-14-11-2022